**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 13-09-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

# HEADLINES

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজিৰে পৰা অসম, মিজোৰাম আৰু মণিপুৰ ভ্ৰমণ কৰি কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ শুভাৰম্ভ আৰু আধাৰশিলা স্থাপন কৰিব।

২। নেপালৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ সুশীলা কাৰ্কিয়ে দেশখনৰ নতুন অন্তৰ্বৰ্তী চৰকাৰখনৰ প্ৰধানমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিছে।

৩। কৰ্ণাটকৰ হাছান জিলাত সংঘটিত এটা দুৰ্ঘটনাত ৮ জন লোকৰ মৃত্যু হোৱাৰ লগতে ২০ জনতকৈও অধিক লোক আহত হৈছে।

৪। ভাৰতে সৰ্বাংগীন বিকাশৰ ক্ষেত্ৰত ইউৰোপক বিশ্বাসযোগ্য বন্ধু, কৌশলগত অংশীদাৰ হিচাপে গণ্য কৰে বুলি মন্ত্ৰী পীযুষ গয়েলে মন্তব্য কৰিছে।*আৰু*

৫। এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ যোৱা নিশা ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ এৰ এখন খেলত অ'মানৰ বিৰুদ্ধে ৯৩ ৰানত জয়েৰে পাকিস্তানে নিজৰ অভিযান আৰম্ভ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজিৰে পৰা তিনি দিনীয়া কাৰ্যসূচীৰে  অসম, মিজোৰাম আৰু মণিপুৰ ভ্ৰমণ কৰি কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ শুভাৰম্ভ আৰু আধাৰশিলা স্থাপন কৰিব। এই যাত্ৰাৰ প্ৰথম পৰ্যায়ত শ্ৰী মোদী মিজোৰামলৈ যাব আৰু তাত তেওঁ ৯ হাজাৰ কোটি টকাৰো অধিক মূল্যৰ বিভিন্ন প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰিব। দিনৰ ১০ বজাত প্ৰধানমন্ত্ৰী মোদীয়ে আইজলৰ লামউৱালত আয়োজিত এটা অনুষ্ঠানত নৱনিৰ্মিত ভৈৰৱী-চাইৰাং ৰে'লপথ মুকলি কৰিব। মিজোৰামৰ ৰাজধানী আইজলক দেশৰ ৰে'ল মানচিত্ৰত সংযোগ কৰি প্ৰায় ৮ হাজাৰ কোটি টকা ব্যয়েৰে ৫১ কিলোমিটাৰৰো অধিক দৈৰ্ঘ্যৰ এই ৰে'লপথ নিৰ্মাণ কৰা হৈছে।  প্ৰধানমন্ত্ৰী মোদীয়ে আজি ভাৰ্চুৱেল ব্যৱস্থাৰে তিনিখন ৰে'লগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰিব। এই নতুন ৰে'লগাড়ীকেইখন হৈছে চাইৰাং আৰু দিল্লীৰ মাজত সাপ্তাহিক ৰাজধানী এক্সপ্ৰেছ, চাইৰাং আৰু গুৱাহাটীৰ মাজত দৈনিক এক্সপ্ৰেছ আৰু চাইৰাং আৰু ক'লকাতাৰ মাজত ত্ৰিসাপ্তাহিক এক্সপ্ৰেছ। একেদিনাই শ্ৰীমোদীয়ে মণিপুৰ ভ্ৰমণ কৰি ৮ হাজাৰ ৫০০ কোটিৰো অধিক টকা মূল্যৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ শুভাৰম্ভ কৰিব। বিয়লিৰ ভাগত শ্ৰী মোদীয়ে চুৰাচান্দপুৰত সাত হেজাৰ ৩০০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন কৰিব। ইয়াৰ পাছত তেওঁ ইম্ফলত ১২ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ ভালেমান প্ৰকল্পৰ উদ্বোধন কৰিব।

ইয়াৰ পাছত আবেলিৰ ভাগত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী গুৱাহাটীলৈ আহিব আৰু বিয়লি ৫ বজাত খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ শতবাৰ্ষিকী উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানতে তেওঁ ভাৰতীয় ৰিজাৰ্ভ বেংকে জাৰি কৰা ড০ ভূপেন হাজৰিকা স্মাৰক ১০০ টকীয়া মুদ্ৰা আনুষ্ঠানিকভাৱে মুকলি কৰিব। প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানতে অসম চৰকাৰৰ তত্বাৱধানত সংকলন কৰা ড০ ভূপেন হাজৰিকাৰ বহুভাষিক জীৱনী গ্ৰন্থখনো আনুষ্ঠানিকভাৱে উন্মোচন কৰিব। প্ৰধানমন্ত্ৰীৰ সন্মানাৰ্থে প্ৰায় এহেজাৰ ২০০গৰাকী শিল্পীয়ে খানাপাৰাৰ খেলপথাৰত বিশ্ববিশ্ৰুত শিল্পীগৰাকীৰ ১৪টা বচা বচা গান আৰু কবিতা একেলগে পৰিৱেশন কৰিব। কাইলৈ শ্ৰীমোদীয়ে ১৮ হাজাৰ ৫৩০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ কেইবাটাও বৃহৎ ঔদ্যোগিক আৰু আন্তঃগাঁথনি প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে দৰঙত বিভিন্ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে এখন জনসভাতো ভাষণ দিব। কাইলৈ শ্ৰী মোদীয়ে গোলাঘাট জিলাৰ নুমলীগড় শোধনাগাৰত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথালন  প্ৰকল্প উদ্বোধন কৰিব। তেওঁ শোধনাগাৰটোৰ নতুন পলিপ্ৰপিলিন গোটটোৰো আধাৰশিলা স্থাপন কৰিব।

পৰহিলৈ শ্ৰী মোদী পশ্চিমবংগলৈ ৰাওনা হ'ব আৰু কলকাতাত আয়োজিত ষষ্ঠদশ যুটীয়া কামাণ্ডাৰ সন্মিলন মুকলি কৰিব। ইয়াৰ পাছত প্ৰধানমন্ত্ৰীগৰাকীয়ে বিহাৰৰ পূৰ্ণিয়া বিমান বন্দৰৰ নতুন টাৰ্মিনেল ভৱনৰ শুভ উদ্বোধন কৰিব। তেওঁ লগতে ৰাষ্ট্ৰীয় মখনা পৰিষদৰ লগতে পূৰ্ণিয়াত ৩৬ হাজাৰ কোটিৰো অধিক টকা মূল্যৰ ভালেমান উন্নয়নমূলক প্ৰকল্প মুকলি কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে  আজি মুকলি কৰিব লগা মিজোৰামৰ ভৈৰবী-চাইৰাং ৰে'লপথছোৱা ৰাজ্যখনৰ বাবে ঐতিহাসিক মাইলৰ খুঁটি বুলি কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে। এই ৰে'লপথছোৱাই পোন প্ৰথমবাৰৰ বাবে মিজোৰামৰ ৰাজধানী আইজলক ভাৰতীয় ৰে'ল নেটৱৰ্কৰ সৈতে সংযোগ কৰিব। চাইৰাং ৰে'ল ষ্টেচনত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী বৈষ্ণৱে কয়, যে এই ৰে'লপথছোৱাৰত ৪৫ টা সুৰংগ আৰু ৫৫ খন দলং আছে। এই নতুন ৰে'ল লাইনে ৰাজ্যখনৰ যোগাযোগ ব্যৱস্থা অধিক উন্নত কৰাৰ লগতে মিজোৰামৰ জনসাধাৰণৰ জীৱনলৈও উল্লেখনীয় পৰিৱৰ্তন আনিব বুলি তেওঁ আশা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি এই পথছোৱাৰে তিনিখন এক্সপ্ৰেছ ৰে'লগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰিব। কাইলৈৰ পৰা এই পথছোৱাৰে মালবাহী ৰে'লগাড়ী চলাচল কৰা হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।  মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ অধীনত  উত্তৰ-পূবত ৰে'ল খণ্ডৰ বাবে আৱণ্টিত ধনৰ পৰিমাণ ২০১৪ চনৰ পৰা পাঁচগুণ বৃদ্ধি পাইছে।

০০০০০

নেপালৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ সুশীলা কাৰ্কিয়ে দেশখনৰ নতুন অন্তৰৱৰ্তী চৰকাৰখনৰ প্ৰধানমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিছে। শ্ৰী মতী কাৰ্কি হৈছে দেশখনক নেতৃত্ব দিয়া প্ৰথমগৰাকী মহিলা। কালি নিশা কাঠমাণ্ডুত ৰাষ্ট্ৰপতি ৰামচন্দ্ৰ পাওদেলে শ্ৰীমতী কাৰ্কিক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱায়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি ৰামবৰণ যাদৱৰ লগতে অন্যান্য প্ৰতিনিধিসকল উপস্থিত আছিল। দেশখনৰ যুৱ প্ৰজন্মই বিগত কিছুদিনত গুৰুত্বপূৰ্ণ সামাজিক মাধ্যমৰ বিভিন্ন মঞ্চৰ জৰিয়তে দুৰ্নীতিৰ বিৰুদ্ধে ক্ষোভ প্ৰদৰ্শন কৰি স্বেচ্ছাচাৰী চৰকাৰখন ওফৰাই পঠিওৱাৰ ফলতেই এই নতুন অন্তৰৱৰ্তী চৰকাৰ গঠনৰ প্ৰয়োজনীয়তা আহি পৰে। ভয়াবহ

প্ৰতিবাদৰ সময়ছোৱাত কেইবাজনো লোকে প্ৰাণ হেৰুওৱাৰ লগতে কে পি শৰ্মা অ'লীয়ে দেশখনৰ প্ৰধানমন্ত্ৰী পদ ত্যাগ কৰিবলৈ বাধ্য হয়।

দেশখনৰ পৰিস্থিতি সন্দৰ্ভত বিগত তিনি দিনত হোৱা কেইবালানিও আলোচনাৰ অন্তত কালি প্ৰাক্তন মুখ্য ন্যায়াধীশ সুশীলা কাৰ্কিক অন্তৰৰ্তী চৰকাৰখনৰ মুৰববী হিচাপে নিযুক্তি দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

০০০০০

ভাৰতে সুশীলা কাৰ্কি নেতৃত্বাধীন নেপালৰ নতুন অন্তৰৰ্তী চৰকাৰখনক আদৰণি জনাইছে। বৈদেশিক মন্ত্ৰালয়ে এটা বিবৃতি যোগে কৈছে যে, এই নতুন চৰকাৰখনে দেশখনলৈ শান্তি আৰু সুস্থিৰতা ঘূৰাই আনিবলৈ সমৰ্থ হ'ব। মন্ত্ৰালয়ে লগতে কৈছে যে, গণতান্ত্ৰিক, দীৰ্ঘকালীন উন্নয়ন অংশীদাৰ তথা চুবুৰীয়া ৰাষ্ট্ৰ হিচাপে ভাৰতে দুয়োখন দেশৰ জনসাধাৰণৰ সমৃদ্ধিৰ হকে সহযোগিতাৰে কাম কৰি যাব।

০০০০০

কৰ্ণাটকৰ হাছান জিলাত কালি সন্ধিয়া সংঘটিত এটা পথ দুৰ্ঘটনাত কমেও আঠজন লোকৰ মৃত্যু হোৱাৰ লগতে ২০ জনতকৈও অধিক লোক আহত হয়। সামগ্ৰী কঢ়িওৱা এখন ট্ৰাকে নিয়ন্ত্ৰণ হেৰুৱাই ভগৱান গণেশৰ মূৰ্তি বিসৰ্জন দিবলৈ যোৱা এখন বাহনক খুন্দা মৰাৰ ফলত বাহনখনত থকা চাৰিজন লোকৰ থিতাতে মৃত্যু হোৱাৰ লগতে গুৰুতৰভাৱে আহত আন চাৰিজনৰ হাস্পতালত মৃত্যু হয়। মৃত আঠজনৰ ভিতৰত পাঁচজন ইঞ্জিনিয়াৰিঙৰ ছাত্ৰ আছিল। হাছানৰ আৰক্ষী অধীক্ষক মহম্মদ চুজিতা এম এচে কয় যে ট্ৰাকখনে বিপৰীত দিশৰ পৰা অহা এখন দুচকীয়া বাহনক পথ এৰি দিয়াৰ সময়তে ৩৭৩ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত এই দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনা সংঘটিত কৰা ট্ৰাকখন জব্দ কৰাৰ লগতে আহত চালকজনক আৰক্ষীয়ে জিম্মাত লৈছে।

কৰ্ণাটকৰ মুখ্যমন্ত্ৰী চিদ্দাৰামায়াই এই ঘটনাত দুখ প্ৰকাশ কৰাৰ লগতে মৃতকৰ পৰিয়াললৈ পাঁচ লাখ টকাৰ সাহায্য ঘোষণা কৰে।

০০০০০

ভাৰতে ইউৰোপক বিশ্বাসযোগ্য বন্ধু, কৌশলগত অংশীদাৰ,ন্যায্য, আইনগত, বহনক্ষম, গুণগত মান আৰু সৰ্বাংগীন বিকাশৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ বুলি গণ্য কৰে। কালি নতুন দিল্লীত অনুষ্ঠিত 'ভাৰত-ইউৰোপীয় সংঘ মুক্ত বাণিজ্য চুক্তি'ৰ মন্ত্ৰী পৰ্যায়ৰ যুটীয়া ব্যৱসায়িক বৈঠকত ভাষণ দি বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুছ গোৱেলে এই মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে ব্যৱসায়িক অংশীদাৰসকলে কেৱল ব্যৱসায় বঢ়োৱাতে গুৰুত্ব নিদি ইয়াৰ ফলত হ'ব পৰা বিশ্বজোৰা ইতিবাচক প্ৰভাৱৰ কথাও মন কৰা উচিত। মন্ত্ৰী গোৱেলে কয় যে ভাৰত আৰু ইউৰোপীয় সংঘ প্ৰতিদ্বন্দী নহয়,বৰং পৰস্পৰৰ সহযোগীহে।

০০০০০

এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ যোৱা নিশা ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ এৰ এখন খেলত পাকিস্তানে অ'মানক ৯৩ ৰানত পৰাস্ত কৰি নিজৰ অভিযান আৰম্ভ কৰে। মহম্মদ হাৰিশৰ অৰ্ধশতকেৰে পাকিস্তানে সাত উইকেটৰ বিনিময়ত ১৬০ ৰান কৰে। ১৬১ ৰানৰ লক্ষ্য বান্ধি দিয়া খেলখনত অ'মানৰ আমিৰ কালিন আৰু হামিড মিৰ্জাই ক্ৰমে ১৩ আৰু ২৭ ৰানৰ বৰঙণি আগবঢ়ায়।- অ'মানে ১৬ অভাৰ চাৰিটা বলত ৬৭ ৰান কৰি আটাইকেইটা উইকেট হেৰুৱায়। পাকিস্তানৰ হৈ ফাহিম আছৰাফ মুকিম আৰু আয়ুবে দুটাকৈ আৰু আফ্ৰিডি আবৰাৰ আহমেদ আৰু নাৱাজে এটাকৈ উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে পাকিস্তানে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয় আৰু নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত ১৬০ ৰান সংগ্ৰহ কৰে। দলৰ হৈ মহম্মদ হেৰিছে সৰ্বাধিক ৬৬ ৰান কৰাৰ লগতে ফখৰ জামানে ২৩ ৰান কৰি অপৰাজিত হৈ ৰয়। মহম্মদ হেৰিছক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০

সমাপ্ত